Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্রেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

পাঠ - ৭

ভাৰতীয় সংস্কৃতি

অংশ - ১

অংগৰাগ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গদ্যাংশ


ভাৰতীয় সংস্কৃতি



হেম বৰুৱা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ভাৰতীয় সংস্কৃতি

ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু। আৰ্য, অনাৰ্য, মংগোলীয়, দ্ৰাবিড়ী- এনে তৰহৰ বিভিন্ন সোঁত উপ-সোঁত লগলাগি ভাৰতীয় সংস্কৃতিৰ সাগৰ ৰচনা হৈছে। ইয়াৰ উপৰিও অতীজতে গ্ৰীক, শক, হুন, আদি নানা মানৱপুঞ্জ চামে চামে ভাৰত ভূমিলৈ আহিছিল আৰু ইয়াত নিগাজীকৈ বাসভূমি বাছি লৈছিল।


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পুৰণি ভাৰত বুৰঞ্জী যেনেকৈ অভিযানৰ বুৰঞ্জী তেনেকৈয়ে সমন্বয়ৰো বুৰঞ্জী। ভাষাতত্ত্ব, সামাজিক-ৰাজনৈতিক আদৰ্শ, সাহিত্য, শিল্পকলা, দৰ্শন ইত্যাদি ক্ষেত্ৰত এক বিৰাট সমন্বয়ৰ সৃষ্টি হৈছে। এই সমন্বয়ে ভাৰতীয় সংস্কৃতিৰ স্বৰূপ প্ৰকাশ কৰে। ভাৰতীয় সংস্কৃতি সমন্বয়ৰ আদৰ্শেৰে জীয়াই আছে। এই সাংস্কৃতিক সমন্বয় ইমান গাঢ় হৈছিল যে ইয়াৰ বিভিন্ন ধাৰাৰ মূল ঠাৱৰ কৰাটো প্ৰায় টান হৈ পৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ক্রমবর্দ্ধমান শক্তিয়েই হৈছে প্রকৃত শক্তি। ক্রমবর্দ্ধমান শক্তি ভাৰতীয় সংস্কৃতিৰ প্রাণ। এই কাৰণেই ভাৰতীয় সংস্কৃতি জীৱন্ত শক্তি। স্পেঙলাৰৰ সভ্যতা-সংস্কৃতি সম্বন্ধীয় তথ্যই এই কাৰণেই ভাৰতীয় সংস্কৃতিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিব পৰা নাই। বুৰঞ্জীৰ বেলেগ বেলেগ স্তৰে ভাৰতীয় সংস্কৃতিৰ গাত একোটা আঁচোৰ মাৰি গৈছে। এইখিনিতেই আমি 'সভ্যতা' আৰু 'সংস্কৃতি'-এই দুটা শব্দৰ মাজত কিবা পার্থক্য আছেনে চিন্তা কৰি চোৱা উচিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আচলতে এই শব্দ দুটাৰ মাজত পার্থক্য আছে। এটাৰ সলনি আনটো ব্যৱহাৰ কৰিব নোৱাৰি। সভ্যতাই বিশেষ এটা সামাজিক বা ৰাজনৈতিক অৱস্থা বুজায়। ই এটা সমাজ পদ্ধতি। এনে ধৰণৰ জীৱন পদ্ধতিৰ জৰিয়তে সংস্কৃত জীৱন সম্ভৱপৰ নহয়। সমাজ সভ্য অর্থাৎ সু-শৃংখল নহ'লে কোনো ব্যক্তি বা অনুষ্ঠানৰ পক্ষে সৃষ্টিমূলক কাম হাতত লোৱাটো সম্ভৱপৰ নহয়। আনহাতে সংস্কৃতি হৈছে কোনো এটা জাতিৰ বা সমাজ এখনৰ জীৱন প্রতিভা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এটা জাতি সু-সভ্য হ'ব পাৰে। আনহাতে ইয়াৰ তেনে কোনো লেখত ল'বলগীয়া সাংস্কৃতিক স্তৰ নাথাকিব পাৰে। ভাষা, সাহিত্য, সুকুমাৰ কলা, দৰ্শন ইত্যাদি ক্ষেত্ৰত প্ৰকাশ পোৱা প্ৰতিভাই হৈছে জাতি বিশেষৰ সংস্কৃতিৰ মাপকাঠী। সভ্যতাই সমাজ সু-শৃংখল কৰি সংস্কৃতিৰ সৃষ্টিত আৰু ৰূপ দিয়াত সহায়তা কৰে।

সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ। ইয়াৰ প্ৰৱাহ বাধাহীন গতিৰ বোৱঁতী সুঁতি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ই অতীজৰে পৰা একেৰাহে নিৰৱিচ্ছিন্নভাবে বৈ আহিছে। সমাজৰ ওপৰত প্ৰাকৃতিক পৰিবেষ্টনৰ সাঁচ পৰাটো স্বাভাৱিক কথা। ভাৰতীয় ভৌগোলিক জীৱন বৈচিত্ৰ্যময়। এফালে শুকান মৰুভূমি; আনহাতে মৌচুমীৰ তাণ্ডৱ নৃত্য। এফালে পৰ্বতমালাৰ উচ্চ শিখৰ; আনফালে যোজন ব্যাপ্ত সমতল ভূমি। প্ৰাকৃতিক দৃশ্যাৱলীৰ পাৰ্থক্য, জলবায়ুৰ পাৰ্থক্য, জীৱনৰ গতিধাৰাৰ বৈচিত্ৰ্য ইত্যাদিৰ সৃষ্টিয়েই ভাৰতীয় জীৱন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতীয় মনে প্ৰাকৃতিক অসামঞ্জস্যক স্বীকাৰ কৰি লৈছে। এনে ধৰণৰ, মনস্তাত্ত্বিক প্ৰস্তুতিয়ে জীৱনৰ অসামঞ্জস্যকো স্বীকাৰ কৰি ল'বলৈ বাধ্য কৰিছে। ভাৰতীয় বিশাল ভূমিখণ্ডই একালত বাহিৰৰ ন ন মানৱপুঞ্জক আহ্বান জনাইছিল। এচিয়াৰ চৌদিশৰ পৰা অহা মানৱপুঞ্জৰ সোঁতে দেশ প্লাৱিত কৰিছিল। প্ৰত্যেকেই ব্যক্তিগত প্ৰতিভা অনুসৰি সংস্কৃতি ৰচনাত বৰঙণি যোগাইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পণ্ডিত ৰাহুল সংকৃত্যায়নৰ 'ফ্ৰম্ ভল্গা টু গংগা' নামৰ কিতাপত এই সম্বন্ধে বহুল বৰ্ণনা কৰিছে। প্ৰাকৃতিক ব্যৱধানৰ কাৰণেই হওক বা আন কিবা কাৰণেই হওক যিসকল আৰ্যই প্ৰব্ৰজন কৰি আহি ভাৰত ভূমিত নিগাজীকৈ থাকিবলৈ ল'লে, সেইসকলৰ আদিম বাসভূমি মধ্য-এছিয়াৰ লগত স্বাভাৱিকতে সম্বন্ধ টুটি আহিবলৈ ধৰিলে। আনকি ভাৰতবৰ্ষ আৰু আফগানিস্তানক একগোট কৰি থোৱাৰ চেষ্টাও ফলৱৰ্তী নহ'ল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

একালত এই দুই অঞ্চলৰ মাজত যে সংযোগ আছিল, সেইষাৰ কথাৰ সাক্ষী স্বৰূপে আজিও কান্দাহাৰ চহৰ আছে। কান্দাহাৰ ভাৰতীয় নাম। গ্ৰীকসকলে পঞ্জাৰ আৰু আফগানিস্তান একগোট কৰি থ'বলৈ চেষ্টা কৰিছিল। তেওঁলোকৰ এই চেষ্টা ব্যৰ্থ হৈছিল। সেইদৰে মৌৰ্যসকলৰ বিস্তাৰ যুগত ভাৰত আৰু কান্দাহাৰ এক গোট কৰি থোৱাৰ প্ৰচেষ্টা চলিছিল। এই প্ৰচেষ্টাও গ্ৰীকসকলৰ চেষ্টা ব্যৰ্থ হোৱাৰ দৰে ব্যৰ্থ হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতীয় সংস্কৃতি একালত সমগ্ৰ দক্ষিণ-পূব অঞ্চলতে বিয়পি পৰিছিল। ইয়াৰ প্ৰমাণ ব্ৰহ্মদেশ, কম্বোডিয়া, ইণ্ডোনেচিয়া আদি ঠায়ে আজিও যোগায়। এই অঞ্চলসমূহত বাৰশ বছৰ জুৰি জীয়াই থকা হিন্দু ৰাষ্ট্ৰবোৰেও ইয়াৰ প্ৰমাণ দিয়ে। প্ৰৱল সোঁতে মধ্য এচিয়াৰ পৰা আৰম্ভ কৰি দক্ষিণ-পূৱ এচিয়ালৈকে স্পৰ্শ কৰিছিল। এই অভিযান জলপথ আৰু স্থলপথ দুয়ো দিশৰ পৰাই সাধিত হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সম্যক দৃষ্টিৰে চালে দেখা যায়, ভাৰত বুৰঞ্জী হৈছে ৰাজ্যৰ উত্থান-পতন, ভঙা-গঢ়াৰ সবিশেষ বুৰঞ্জী। ইটোৰ পাছত সিটো গোষ্ঠীৰ আক্রমণ বা অভিযান, ইটো পৰিয়ালৰ পাচত সিটো পৰিয়ালৰ শাসনভাৰ গ্রহণ, ইত্যাদি ঘটনাৰে ভাৰতৰ বুৰঞ্জী ভাৰাক্রান্ত। তথাপি ভাৰতীয় সংস্কৃতিৰ মূল সুঁতি ক্রমবর্দ্ধমান সোঁতেৰে বৈ আছিল। ই অকস্মাতে ৰাজ্য ভঙা-গঢ়াৰ হেঁচাত ৰুদ্ধ হৈ যোৱা নাছিল। এয়ে হৈছে ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যৰ বৈশিষ্ট্য।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মহেঞ্জোদাৰো আৰু হৰপ্পাৰ সংস্কৃতিয়ে এটা আৰ্য-পূৰ্ব যুগৰ কথা কয়। এই সংস্কৃতি কালৰ গৰাহত নষ্ট হৈছিল, সঁচা কথা, তথাপি ই শুকাই চিনচাব নোহোৱা হোৱা নাছিল। মহেঞ্জোদাৰোৰ সংস্কৃতিক অস্বীকাৰ কৰি নহয়, ইয়াৰ ওপৰত ভেটি কৰিহে পাছৰ যুগৰ আৰ্যসকলে নতুন সাংস্কৃতিক জীৱন গঢ়ি তুলিছিল। ইয়াৰ বুকুৰ পৰা ভালেখিনি সংস্কৃতিৰ সম্ভাৰ তেওঁলোকে বুটলি লৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শিৱ আৰু শক্তি পূজাৰ মূল বিচাৰি প্ৰত্নতাত্ত্বিক পণ্ডিতসকলে ইয়াৰ কাষ চাপিছিল; আৰু ইয়াতেই তেওঁলোকে মূল আৱিষ্কাৰো কৰিছিল। ধ্যানস্থ শিৱৰ কল্পনা মহেঞ্জোদাঁৰোৰ সাংস্কৃতিক সম্পদ। সেই সভ্যতাৰ মোহৰত ই আজিও অংকিত হৈ আছে।

ভাৰতীয় সংস্কৃতিৰ মৰ্মস্থলী সু-সংগঠিত আৰু টনকিয়াল বিধৰ আছিল। বাহিৰৰ পৰা অহা অভিযানসমূহ ইয়াৰ আগত প্ৰায়েই ব্যৰ্থ হৈ গৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আনহাতে বাহিৰৰ পৰা অহা কমেইহে ভাৰতীয় সংস্কৃতিৰ সৰ্বগ্রাসী প্রভাৱৰ হাত সাৰিব পাৰিছিল। উদাহৰণস্বৰূপে ৰাজপুতসকল ভাৰতভূমিৰ বৰ পুৰণি অধিবাসী নহয়। আজি এইষাৰ কথা আমাৰ বহুতৰে স্মৃতিৰ অতীত হৈ পৰিছে। আৰু এই ৰাজপুতসকলেই ভাৰতীয় সংস্কৃতিৰ ভঁড়াললৈ যে বিশেষ অৱদান যোগাইছিল সেই বিষয়ে সন্দেহ নাই। ৰাজপুত্র চিত্রশিল্পই ইয়াৰ উপযুক্ত প্রমাণ।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। "ফ্ৰম ভলগা টু গংগা" কাৰ ৰচনা ?

ক) ৰাহুল সংকৃত্যায়ন

খ) সৰ্বপল্লী ৰাধাকৃষ্ণন

গ) হেম বৰুৱা


ঘ) জন কীট্ছ

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





২। সমাজৰ ওপৰত প্ৰাকৃতিক পৰিবেষ্টনৰ সাঁচ পৰাটো স্বাভাৱিক কথা।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো






২। সমাজৰ ওপৰত প্ৰাকৃতিক পৰিবেষ্টনৰ সাঁচ পৰাটো স্বাভাৱিক কথা।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩। ভাৰতীয় সংস্কৃতিৰ প্ৰাণ হ'ল- _____ শক্তি বা জীৱন্ত শক্তি।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩। ভাৰতীয় সংস্কৃতিৰ প্ৰাণ হ'ল- ক্ৰমবৰ্ধমান শক্তি বা জীৱন্ত শক্তি।